بالللغة الآسامية



عمرتي

মোৰ ওমৰাহ

ওমৰাৰ আৰকান, কৰণীয় আৰু তাৰ বিধান

إعداد

ياسر بن محمد الفهيد

راجعه

فضيلة الشيخ الدكتور

سعد بن تركي الخثلان

عضو هيئة كبار العلماء

ترجمة:

رفيق الاسلام بن حبيب الرحمن

অনুবাদঃ

ৰফিকুল ইছলাম বিন হাবিবুৰ ৰহমান দৰঙী

দাৰুত তাওহীদ লিত্ তালীফ অত্তার্জামাহ

বলোগড়া, নিজ খাৰুপেটীয়া দৰং অসম

1436-2015

ওমৰাৰ আৰকান আৰু কৰণীয় সমূহৰ তালিকা আৰু তাৰ বিধান

কৰণীয়	নং	হুকুম	কাম সমূহ	কামটো পৰিত্যাগ কাৰীৰ বিধান
(প্রথম ৰুকনঃ) ইহৰাম পৰিধান কৰা। আৰু সেয়া হৈছে নুছুকত প্ৰৱেশ কৰাৰ নিয়ত।	১	ছুন্নত	নুছুকত প্ৰৱেশ কৰাৰ আগতে গুছল আৰু পৰিস্কাৰ পৰিছন্ন হৈ সুগন্ধি ব্যৱহাৰ কৰিব। সুগন্ধি কেৱল পুৰুষৰ বাবে।	কোনো ক্ষতি পূৰণ নাই।
	২	ছুন্নত	পুৰুষে ইহৰামত চিলাইবিহীন দুটা পৰিস্কাৰ কাপোৰ পৰিধান কৰিব। আৰু মহিলাই সৌন্দর্য প্রদর্শন নোহোৱা যিকোনো কাপোৰ পৰিধান কৰিব পাৰে।	কোনো ক্ষতি পূৰণ নাই।
	৩	ওৱাজিব	মীকাতত উপস্থিত হৈ 'লাব্বাইকা ওমৰাতান' বা 'আল্লাহুম্মা লাব্বাইকা ওমৰাতান' কৈ নিয়ত কৰিব।	মীকাতলৈ উভতি আহিব লাগিব অথবা ফিদিয়া দিব লাগিব।
	৪	ছুন্নত	ছালাত আদায় কৰি নুছুকত প্ৰৱেশ কৰিব। যদি ফৰজ ছালাতৰ সময় নহয় তেন্‌তে যিকোনো দুই ৰাকাত ছুন্নত পঢ়িব। যেনে অজুৰ ছুন্নত অথবা তাহয়াতুল মাছজিদ।	কোনো ক্ষতি পূৰণ নাই।
	৫	মকৰূহ	মীকাতৰ আগতেই নিয়ত কৰা।	কোনো ক্ষতি পূৰণ নাই।
	৬	বৈধ	ওমৰাহ সম্পন্ন কৰিব নোৱাৰাৰ কোনো আশংকা থাকিলে যেনে বেমাৰ-আজাৰ ইত্যাদি তেনেহ'লে এই বুলি নিয়ত কৰিব, "আল্লাহুম্মা লাব্বাইকা ওমৰাতান ফা-ইন হাবাছানী হাবিছ, ফা-মাহাল্লী হাইছু হাবাস্তানী"। আৰু যদি এনে কোনো আশংকা নাথাকে তেন্তে এইদৰে নিয়ত কৰা ঠিক নহয়।	কোনো ক্ষতি পূৰণ নাই। চাওক নং ১।
	৭	বৈধ	মীকাত মছজিদৰ বাহিৰে আন কোনো ঠাইত ইহৰাম পৰিধান কৰা	কোনো ক্ষতি পূৰণ নাই।
	৮	ছুন্নত	নুছুকত প্ৰৱেশ কৰাৰ পিছত তালবিয়াহ পাঠ কৰা। পুৰুষ সকলে উচ্চস্বৰে পাঠ কৰিব।	কোনো ক্ষতি পূৰণ নাই।
(দ্বিতীয় ৰুকুন) তাৱাফঃ ৭ পাক দিব।	১	ছুন্নত	মক্কাত প্ৰৱেশ কৰাৰ সময়ত গুছল কৰা।	কোনো ক্ষতি পূৰণ নাই।
	২	ওৱাজিব	তাৱাফ কৰাৰ সময়ত অজু থাকিব লাগিব।	তাৱাফ নহ'ব।
	৩	ছুন্নত	মাছজিদুল হাৰামত প্ৰৱেশ কৰাৰ সময়ত সোঁ ভৰি আগতে দিব আৰু এই দুআ পঢ়িব "বিছমিল্লাহি অচ্ছালাতু অচ্ছালামু আলা ৰাছুলিল্লাহ, আল্লাহুম্মাগফিৰলী জুনু-বী অফতাহলী আবৱাবা ৰাহমাতিক, আউজুবিল্লাহিল আজীম অবি অজহিল কাৰীম অবি ছুলতানিহিল ক্বাদীম মিনাশ্ব শ্বাইতানিৰ ৰাজীম"।	কোনো ক্ষতি পূৰণ নাই।
	৪	ছুন্নত	তাৱাফ আৰম্ভ কৰাৰ আগ মূহুর্ত পর্যন্ত তালবিয়া পাঠ কৰিব।	কোনো ক্ষতি পূৰণ নাই।
	৫	ওৱাজিব	কাবা ঘৰক বাওঁফালে ৰাখি হাজৰে আছৱাদৰ পৰা তাৱাফ আৰম্ভ কৰিব।	তাৱাফ নহ'ব
	৬	ছুন্নত	প্রত্যেক তাৱাফত হাজৰে আছৱাদক স্পর্শ কৰা বা চুমা দিয়া অথবা হাতেৰে স্পর্শ কৰি চুমা খোৱা নাইবা হাতেৰে বা আন কোনো বস্তুৰে ইংগিত কৰা আৰু সেইটোক চুমা নিদি ক'ব, "আল্লাহু আকবাৰ"। যেনেকৈ সপ্তম পাক ঘুৰি কোৱা হয়।	কোনো ক্ষতি পূৰণ নাই।
	৭	ছুন্নত	পুৰুষৰ বাবে প্রথম তিনিটা পাকত ৰমল কৰা। ৰমল কোৱা হয় অলপ খৰকৈ যোৱা।	কোনো ক্ষতি পূৰণ নাই।
	৮	ছুন্নত	কেৱল তাৱাফ কৰা অৱস্থাত ইজতিবা কৰা, ছালাত আদায় কৰোতে নহয়। (ইজতিবা কোৱা হয়, সোঁ কান্ধ খোলা ৰাখি, সোঁ কান্ধৰ তলেদি কাপোৰ লৈ বাওঁ কান্ধৰ ওপৰত মেৰিয়াই দিয়া।	কোনো ক্ষতি পূৰণ নাই।
	৯	ছুন্নত	সম্ভৱ হলে সোঁ হাতেৰে ৰুকনে	কোনো ক্ষতি

			য়ামানিক কেৱল স্পর্শ কৰা আৰু চুমা নিদিয়া। নাইবা ইংগিত আৰু তকবীৰ নকৈ পাৰ হৈ যোৱা।	পূৰণ নাই।
	১০	বৈধ	তাৱাফ স্থগিত কৰি ফৰজ ছালাত বা অলপ বিশ্রাম অথবা অজু নাইবা আন ঠাইলৈ স্থানান্তৰ হ'ব পাৰে কিন্তু বেছি পলম কৰা ঠিক নহয়।	কোনো ক্ষতি পূৰণ নাই।
	১১	ছুন্নত	ৰুকনে য়ামানী আৰু হাজৰে আছৱাদৰ মাজত এই দুআ পাঠ কৰিব। "ৰাব্বানা আ-তিনা ফিদ্দুনিয়া হাছানাহ, অফিল আ-খিৰাতি হাছানাতাওঁ অক্বিনা আজাবান্নাৰ"।	কোনো ক্ষতি পূৰণ নাই।
	১২	ছুন্নত	তাৱাফ অৱস্থাত যিকোনো দুআ কৰা। তাৱাফ কৰাৰ কোনো নির্দিষ্ট দুআ নাই।	কোনো ক্ষতি পূৰণ নাই।
ছুন্নতঃ মাক্বামে ইব্রাহীমৰ পিছত দুই ৰাকাত ছালাত আদায় কৰা আৰু জমজম পানী পান কৰা।	১	বৈধ	তাৱাফৰ পিছত কান্ধ ঢাকিব পাৰে, কিন্তু ছালাত আদায় কৰোতে কান্ধ ঢাকি ৰখা ওৱাজিব।	কোনো ক্ষতি পূৰণ নাই।
	২	ছুন্নত	তাৱাফ শেষ কৰি মাক্বামে ইব্রাহীমৰ পিছত দুই ৰাকাত ছালাত আদায় কৰা।	কোনো ক্ষতি পূৰণ নাই।
	৩	ছুন্নত	মাক্বামে ইব্রাহীমৰ ওচৰত এই আয়াতটো পাঠ কৰা, "অত্তাখিজু মিম মাক্বামি ইব্রাহীমা মুছাল্লা"।	কোনো ক্ষতি পূৰণ নাই।
	৪	বৈধ	তাৱাফৰ দুই ৰাকাত ছালাত মছজিদে হাৰামৰ যিকোনো ঠাইতে পঢ়িব পাৰে।	কোনো ক্ষতি পূৰণ নাই।
	৫	ছুন্নত	ছুৰা ফাতিহাৰ পিছত প্রথম ৰাকাতত ছুৰা কাফিৰুন আৰু দ্বিতীয় ৰাকাতত ছুৰা ইখলাছ পাঠ কৰিব।	কোনো ক্ষতি পূৰণ নাই।
	৬	ছুন্নত	জমজম পানী পান কৰাৰ সময়ত দুআ পাঠ কৰা	কোনো ক্ষতি পূৰণ নাই।
	৭	ছুন্নত	সম্ভব হ'লে তাৱাফৰ দুই ৰাকাত ছালাত আদায় কৰাৰ পিছত হাজৰে আছৱাদলৈ উভতি আহি স্পর্শ কৰিব অন্যথা ইংগিত নকৰিব।	কোনো ক্ষতি পূৰণ নাই।

(তৃতীয় ৰুকন) ছাঈঃ ৭ পাক দিব। যোৱাটো ১ পাক আৰু অহাটো ১পাক।	১	ছুন্নত	প্রথম ছাঈৰ সময়ত ছাফাৰ ওচৰত আহি এই আয়াত পাঠ কৰিব। "ইন্নাচ ছাফা অল মাৰৱাতা মিন শ্বাআয়িৰিল্লাহ"। তাৰ পিছত ক'ব, "আবদাউ বিমা বাদা আল্লাহু বিহি"।	কোনো ক্ষতি পূৰণ নাই।
	২	ছুন্নত	ছাফা আৰু মাৰৱা পর্বতত উঠিব। ওপৰত নুঠি তলত অৱস্থান কৰাও বৈধ।	কোনো ক্ষতি পূৰণ নাই।
	৩	ছুন্নত	ছাফা আৰু মাৰৱা পর্বতত উঠি কিবলা মুখি হৈ দুই হাত তুলি এই দুআ তিনিবাৰ পাঠ কৰিব। "আলহামদুলিল্লাহ, আল্লাহু আকবাৰ, লা ইলা-হা ইল্লাল্লাহু অহদাহু লা শ্বাৰীকা লাহ, লাহুল মুলকু অলাহুল হামদ, অহুৱা আলা কুল্লি শ্বাইয়িন ক্বাদীৰ, লা ইলা-হা ইল্লাল্লাহু অহদাহ, আনজাযা অৱাদাহ, অনাছাৰা আবদাহ, আহাজিমাল আহজাবা অহদাহ"।	কোনো ক্ষতি পূৰণ নাই।
	৪	ছুন্নত	দুই সেউজ লাইটৰ মাজত কেৱল পুৰুষ সকলে দৌৰ দিব।	কোনো ক্ষতি পূৰণ নাই।
	৫	ছুন্নত	ছাঈ কৰা অৱস্থাত দুআ কৰা। প্রত্যেক ছাঈৰ বাবে কোনো নির্দিষ্ট দুআ নাই।	কোনো ক্ষতি পূৰণ নাই।
	৬	বৈধ	তাৱাফ স্থগিত কৰি ফৰজ ছালাত বা অলপ বিশ্রাম অথবা অজু নাইবা আন ঠাইলৈ স্থানান্তৰ হ'ব পাৰে কিন্তু বেছি পলম কৰা ঠিক নহয়।	কোনো ক্ষতি পূৰণ নাই।
	৭	ছুন্নত	ছাঈ কৰা অৱস্থাত অজু থকা ভাল। ওৱাজিব নহয়।	কোনো ক্ষতি পূৰণ নাই।
ওৱাজিবঃ মূৰ খুৰোৱা অথবা চুলি চুটি কৰা।	১	ওৱাজিব	ওমৰাহ সম্পুর্ণ কৰিবলৈ পুৰুষৰ বাবে মূৰ খুৰোৱা বা চুলি চুটি কৰা ওৱাজিব। মহিলা সকলে কেৱল চুলিৰ মুঠিৰ পৰা এক আঙুলি পৰিমান চুটি কৰিব।	ফিদিয়া দিব লাগিব
	২	ছুন্নত	মূৰ খুৰোৱা উত্তম। নবী চল্লাল্লাহু আলাইহি অছাল্লামে মূৰ খুৰোৱা ব্যক্তিৰ বাবে তিনিবাৰ দুআ কৰিছে। আৰু যিয়ে চুলি চুটি কৰিছে তাৰ বাবে এবাৰ দুআ কৰিছে।	কোনো ক্ষতি পূৰণ নাই। যদি চুলি চুটি কৰে।

ইহৰাম অৱস্থাৰ নিষিদ্ধ কাম সমূহঃ

ক্রমঃ	নিষিদ্ধ কাম সমূহঃ
১	মূৰ আদিৰ চুলি খুৰুৱা
২	নখ কটা
৩	আতৰ-সুগন্ধি ব্যৱহাৰ কৰা
৪	স্ত্রী আলিঙ্গন কৰা
৫	চিকাৰ কৰা
৬	বিবাহৰ আকদ কৰা
৭	সহবাস কৰা
৮	চিলাই কৰা কাপোৰ পৰিধান কৰা (পুৰুষৰ বাবে নিষিদ্ধ)
৯	মূৰ ঢাকি ৰখা (পুৰুষৰ বাবে নিষিদ্ধ)
১০	নেক্বাব পৰিধান কৰা (মহিলাৰ বাবে নিষিদ্ধ)
১১	Gloves বা হাত মুজা পৰিধান কৰা (মহিলাৰ বাবে নিষিদ্ধ)

১) চর্ত কৰা থাকিলে কোনো কাৰণে ওমৰাহ আদায় কৰিব নোৱাৰিলে তাৰ বাবে দম (জৰিমনা স্বৰূপ ছাগলী এটা জবেহ কৰিব) নালাগিব। আৰু যদি চর্ত কৰা নাই তেনেহ'লে তাৰ হুকুম বাধাপ্রাপ্ত লোকৰ দৰে।

তালবিয়াঃ লাব্বাইকা আল্লাহুম্মা লাব্বাইক, লাব্বাইকা লা শ্বাৰীকা লাকা লাব্বাইক, ইন্নাল হামদা অন্নি'মাতা লাকা অলমুলক, লা শ্বাৰীকা লাক।

তাৱাফ আৰু ছাঈৰ বিশেষ দ্রষ্টব্যঃ প্রতিজন মুছলমানৰ বাবে তাৱাফ আৰু ছাঈৰ সময়ত সুস্থ মস্তিষ্কৰ সৈতে নম্রতা অবলম্বন কৰা উচিত। আৰু যাৰ ঘৰৰ তাৱাফ কৰি আছে তেওঁৰ গৌৰৱ-গৰিমা আৰু মহত্ব অনুভৱ কৰা উচিত লগতে বেছি বেছি দুআ জিকিৰ আৰু কোৰআন তিলাৱাত কৰা উচিত।

এই খিনিতে ওমৰাৰ বর্ণনা সমাপ্ত কৰিছোঁ। আল্লাহৰ ওচৰত দুআ কৰিছোঁ তেওঁ আপোনাৰ ওমৰাহ কবুল কৰক। লগতে আপোনাৰ আৰু আমাৰ নেক আমল সমূহ আল্লাহৰ ওচৰত গৃহিত হওঁক। আপোনাৰ নেক দুআত আমাক নাপাহৰিব।